# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 10-02-2025
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

---

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি **পৰীক্ষা পে চৰ্চা** কাৰ্যসূচীৰ অষ্টম সংস্কৰণত শিক্ষাৰ্থীসকলে পৰীক্ষাৰ সময়ত মানসিক চাপ আৰু উদ্বেগৰ পৰা কেনেদৰে হাত সাৰিব পাৰে সেই বিষয়ত আলোকপাত কৰে। পৰিপুষ্টি আৰু সুস্বাস্থ্যৰ ওপৰত গুৰুত্ব আৰোপ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে শিক্ষাৰ্থীসকলে পঢ়াৰ লগতে প্ৰয়োজন সাপেক্ষে জিৰণি লোৱাটো প্ৰয়োজন। তেওঁ লগতে শিক্ষাৰ্থীসকলক চাপমুক্ত হৈ থকাৰ বাবেও বিভিন্ন পৰামৰ্শ আগবঢ়ায়।

পৰীক্ষা পে চৰ্চা কাৰ্যসূচীত আজি দেশৰ বিভিন্ন স্থানৰ লগতে অসমৰো কেইবাখনো শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত নিউ গুৱাহাটী ৰে'লৱে কলনী হাইস্কুল, নিউ গুৱাহাটী আদৰ্শ হাইস্কুল, নুনমাটি হাইস্কুল, লখিমপুৰ কেন্দ্ৰীয় বিদ্যালয়, কোকৰাঝাৰৰ মাজালিপাৰা এম ভি স্কুল, গোৱালপাৰা নটসূৰ্য ফণী শৰ্মা ভৱন, তামুলপুৰ মহাবিদ্যালয় আদিত পৰীক্ষা পে চৰ্চা কাৰ্যসূচী অনুষ্ঠিত হয়। ৰাজ্যৰ বিভিন্ন জিলাত এই অনুষ্ঠান পৰ্দাৰ জৰিয়তে প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হয়। এই প্ৰদৰ্শনত সংশ্লিষ্ট অঞ্চলৰ বিশিষ্ট ব্যক্তি, শিক্ষাবিদ, শিক্ষাৰ্থী আৰু অভিভাৱকে ভাগ লয়। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি তামুলপুৰ মহাবিদ্যালয়ত পৰীক্ষা পে চৰ্চা কাৰ্যসূচীত উপস্থিত থাকে। অনুষ্ঠানত শিক্ষামন্ত্ৰীগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলক মানসিক চাপ লোৱাৰ পৰিৱৰ্তে ধ্যান কৰি অধ্যয়নত মনোনিৱেশ কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে ছাত্ৰ-ছাত্ৰীসকলক লিখন, পঢ়ন, শ্ৰৱণ আৰু কথন এই চাৰিটা বিষয়ত দক্ষতা অৰ্জন কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত তামুলপুৰ জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তী, বিধায়ক জলেন দৈমাৰীৰ উপৰি মহাবিদ্যালয়খনৰ অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা আৰু শিক্ষাৰ্থীসকলৰ অভিভাৱক সকলকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

বঙাইগাঁও জিলা প্ৰশাসন আৰু জিলা শিক্ষা বিভাগৰ উদ্যোগত বঙাইগাঁও, অভয়াপুৰী আৰু সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে পৰীক্ষা পে চৰ্চা কাৰ্যসূচীৰ পোনপটীয়া সম্প্ৰচাৰৰ ব্যৱস্থা কৰা হয়।

উল্লেখযোগ্য যে পৰীক্ষা পে চৰ্চা কাৰ্যসূচীৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰীক্ষাৰ পূৰ্বে শিক্ষাৰ্থী, অভিভাৱক আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ সৈতে প্ৰস্তুতি আৰু মানসিক চাপ দূৰ কৰাৰ উপায় সন্দৰ্ভত বাৰ্তালাপ কৰি আহিছে। এইবাৰৰ কাৰ্যসূচীত বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৩৬ গৰাকী শিক্ষাৰ্থীয়ে প্ৰধানমন্ত্ৰী মোদীৰ সৈতে পোনপটীয়াকৈ মত বিনিময় কৰে।

০০০০০

দৰং-ওদালগুৰিৰ সাংসদ দিলীপ শইকীয়াই চীনদেশে তিববতত ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰিবলৈ লোৱা বিশ্বৰ সৰ্ববৃহৎ নদীবান্ধ সম্পৰ্কত গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। আজি লোকসভাত এটা দৃষ্টি আকৰ্ষণকাৰী প্ৰসংগ উত্থাপন কৰি সাংসদ শইকীয়াই এই বান্ধ নিৰ্মাণ হ'লে অসম, অৰুণাচল প্ৰদেশ আৰু বাংলাদেশৰ পাৰিপাৰ্শ্বিকতাৰ ওপৰত বিৰূপ প্ৰভাৱ পৰিব বুলি আশংকা প্ৰকাশ কৰে। তেওঁ কয়, যে দক্ষিণ

এছিয়াৰ এই অঞ্চলটো ভূমিকম্প আৰু বানপানীকে ধৰি অতিশয় দুৰ্যোগপ্ৰবন অঞ্চল। এই বান্ধৰ লগতে চীনে বৃহৎ আকাৰৰ জলাধাৰ নিৰ্মাণৰো প্ৰস্তাৱ কৰিছে বুলি তেওঁ উল্লেখ কৰে। সাংসদগৰাকীয়ে অঞ্চলটোৰ পৰিৱেশ আৰু সভ্যতা-সংস্কৃতি ৰক্ষা কৰাৰ স্বাৰ্থত বিষয়টো কূটনৈতিকভাৱে চীন দেশৰ সৈতে বিষয়টো আলোচনা কৰিবলৈ ভাৰত চৰকাৰক আহ্বান জনায়।

০০০০০

গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছাম দ্বিতীয় সংস্কৰণৰ পৰিপ্ৰেক্ষিতত দুদিনীয়া কাৰ্যসূচীৰে আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ছিংগাপুৰলৈ ৰাওনা হৈছে। এই ভ্ৰমণকালত মুখ্যমন্ত্ৰীয়ে একাধিক ৰোড শ্ব'ত অংশ লোৱাৰ লগতে শীৰ্ষ উদ্যোগপতি আৰু ব্যৱসায়ীৰ সৈতে মত বিনিময় কৰিব। তদুপৰি এই ভ্ৰমণত মুখ্যমন্ত্ৰীগৰাকীয়ে ছেমি কণ্ডাক্টৰ, ডিপ টেকন'লজি, আন্তঃগাঁথনি আৰু নিৰ্মাণ আদি খণ্ডত ৰাজ্য চৰকাৰে আগবঢ়োৱা বিভিন্ন সা-সুবিধাসমূহৰ বিভিন্ন দিশত আলোকপাত কৰিব। তেওঁ বাণিজ্যিক সহযোগিতা তথা বিনিয়োগৰ সুযোগ অন্বেষণ কৰিবলৈ ছিংগাপুৰৰ ঔদ্যোগিক নেতৃবৃন্দৰ সৈতে বহুকেইখন পৃথক বৈঠকতো মিলিত হ'ব।

০০০০০

তথ্য আৰু জন সংযোগ মন্ত্ৰী পীযূষ হাজৰিকাই আজি মৰিগাঁও জিলাৰ ৰৌমাৰীস্থিত সীতা জখলা সমবায় পৰিসৰত পশু খাদ্য প্ৰস্তুতকৰণৰ বিশেষ মিনাৰেল মিক্সাৰ মজলীয়া উদ্যোগ প্ৰকল্প গৃহৰ আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অসম গাখীৰ, মাংস আৰু কণী অভিযান সমিতিৰ অধীনত প্ৰায় ৫০ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই প্ৰকল্পৰ জৰিয়তে গো-পালকসকল বিশেষভাৱে উপকৃত হ'ব বুলি আশা কৰা হৈছে।

০০০০০

বিটিআৰ শান্তি চুক্তিৰ ২৩ সংখ্যক বাৰ্ষিকী উপলক্ষে আজি কোকৰাঝাৰত এলানি বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। সেই অনুসৰি আজি বিটিচি সচিবালয়ত বিটিচিৰ প্ৰাক্তন মুৰব্বী তথা বিপিএফৰ সভাপতি হাগ্ৰামা মহিলাৰীকে ধৰি দলৰ অন্যান্য জ্যেষ্ঠ নেতা আৰু সদস্যসকলে বড়ো আন্দোলনত অগ্ৰণী ভূমিকা পালন কৰা বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি তৰ্পণ কৰে। তেওঁলোকে লগতে দেবাৰগাঁৱত থকা বিটিআৰৰ শান্তিৰ বাবে জীৱন উৎসৰ্গা কৰা ছহিদসকলৰ বেদীত শ্ৰদ্ধাঞ্জলি জনায়।

০০০০০

গোৱালপাৰা জিলাৰ শ্ৰীশ্ৰী সূৰ্যপাহাৰত কাইলৈৰ পৰা ৯ দিনীয়াকৈ বিষ্ণু যজ্ঞ আৰু মেলাৰ আয়োজন কৰা হৈছে। বিশ্ব শান্তি কামনাৰে মাঘী পূৰ্ণিমা উপলক্ষে আয়োজিত এই যজ্ঞ আৰু মেলাৰ ১৯ ফেব্ৰুৱাৰীত সামৰণি পৰিব। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি কেইবাটাও ধৰ্মীয় আৰু সাংস্কৃতিক কাৰ্যসূচী গ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে হিন্দু, বৌদ্ধ আৰু জৈন ধৰ্মৰ মিলনভূমি শ্ৰীশ্ৰী সূৰ্যপাহাৰলৈ বছৰৰ প্ৰতিটো দিনতে অগণন লোকৰ আগমন ঘটে যদিও মাঘী পূৰ্ণিমা উপলক্ষে আয়োজিত এই কাৰ্যসূচীত লক্ষ্যাধিক লোকৰ সমাগম হয় বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০

সমাপ্ত